**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তিমদিনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগিক সহযোগিতা সন্দৰ্ভত দেশখনৰ এগৰাকী মন্ত্ৰী আৰু ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে আলোচনা।

২। চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ দ্বিতীয় দিনা ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীৰ বহিঃমূল্যায়ক হিচাপে বিদ্যালয় পৰিদৰ্শন।

৩। কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা ১১ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ নিকটাত্মীয়ক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ক্ষতিপূৰণৰ চেক প্ৰদান

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ সময়সূচী প্ৰকাশ।

আৰু

৫। আই আই টি গুৱাহাটীত মুখ্য সচিব ড° ৰবি এছ্ কোটাৰ ‘পেন আই আই টি ৱৰ্ল্ড অৱ্ টেকন’লজি মিট, ২০২৫’ শীৰ্ষক অনুষ্ঠান উদ্বোধন।

oooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত দেশখনৰ এগৰাকী মন্ত্ৰীৰ লগতে কেইবাটাও ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ’বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে আজি দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তিমদিনা এছ্ এম ই আৰু ষ্টাৰ্টআপ মন্ত্ৰী অ’হ য়ংজুক সাক্ষাৎ কৰি অসম আৰু দক্ষিণ কোৰিয়াৰ উদ্যোগী আৰু ষ্টাৰ্টআপসমূহৰ মাজত সহযোগিতা ৰক্ষা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দেশখনৰ চিলিকন ভেলী হিচাপে পৰিচিত পাংগ্য টেকন’ভেলী ভ্ৰমণ কৰি অসম আৰু এই ভেলীৰ উদ্যোগী আৰু ষ্টাৰ্টআপৰ মাজত সহযোগিতা স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। তেওঁ লগতে দক্ষিণ কোৰিয়াৰ নৱীকৰণযোগ্য আৰু স্বচ্ছ শক্তিৰ অন্যতম বৃহৎ প্ৰতিষ্ঠান জি এছ গ্ৰুপৰ উপাধ্যক্ষ য়ং হা ৰুৰ সৈতে আলোচনাত মিলিত হয়। ড° শৰ্মাই ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট স্বচ্ছ শক্তি উৎপাদনৰ লক্ষ্যৰ বিষয়ে অৱগত কৰি এইক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ সহযোগিতা কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ছেমি কণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰি থকা উদ্ভাৱনী সংস্থা ছিউল ভায়’ছিছৰ মুখ্য কাৰ্যবাহী বিষয়া লি য়ং জুক সাক্ষাৎ কৰি এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। ড° শৰ্মাই কয়, যে অসমত ছেমি কণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ বাবে এই উদ্যোগৰ অংশীদাৰসকলক ছেটেলাইট চিটী নিৰ্মাণৰ পৰা আৰম্ভ কৰি সকলোধৰণৰ সহায়-সমৰ্থন আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে বিশ্বৰ অন্যতম বৃহৎ ছেমি কণ্ডাক্টৰ গোট এছ কে হাইনিক্সৰ উপাধ্যক্ষক সাক্ষাৎ কৰি অসমক আন্তঃৰাষ্ট্ৰীয় ছেমি কণ্ডাক্টৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰে।

ooooooo

চলিত বছৰৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়নৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী আজি সফলভাৱে সম্পন্ন হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি **গুৱাহাটী**ৰ কাহিলীপাৰাৰ ফাগুনা ৰাভা উচ্চ মাধ্যমিক বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। **চিৰাং** জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই আজি জিলাখনৰ বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়োবজাৰ কস্তুৰবা বালিকা বিদ্যালয় আৰু চাৰাগাঁও মজলীয়া বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে **ধুবুৰী** জিলাৰ মাজপাৰা প্ৰাথমিক বিদ্যালয় আৰু পি এম শ্ৰী বি চি মেম’ৰিয়েল ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনতো অংশ লয়। গুণোৎসৱত কালি ১৩ খন জিলাৰ ৫ হাজাৰ ৩৭১ খন বিদ্যালয়ৰ ৫ লাখ ১২ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ মূল্যায়ন কৰা হয়। এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হয়।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোড-মৰিগাঁও সংযোগী পথৰ কপিলী নৈৰ ওপৰত নিৰ্মীয়মান দলঙৰ কাম-কাজ পৰিদৰ্শন কৰে। তেওঁ লগতে দলংখনৰ কামসমূহ যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। জাগীৰোড আৰু মৰিগাঁওবাসীৰ যাতায়াত-যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই অহা ১ ফেব্ৰুৱাৰীত এই দলংখন উদ্বোধন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

-বাইট-

০০০০০০০

কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা ১১ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ নিকটাত্মীয়ক আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ক্ষতিপূৰণৰ চেক প্ৰদান কৰে। গুৱাহাটীৰ সমগ্ৰ শিক্ষা কাৰ্যালয়ত শিক্ষামন্ত্ৰীগৰাকীয়ে ঠিকাভিত্তিক শিক্ষকৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপ সন্দৰ্ভত ডাঃ ৰণোজ পেগুৱে সাংবাদিকৰ আগত এনেদৰে কয় –

-বাইট-

০০০০০০০

ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ মাই ভাৰত নেহৰু যুৱ কেন্দ্ৰ সংগঠনে সমগ্ৰ ভাৰততে যোৱা ১৭ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ ৰাষ্ট্ৰীয় পথ সুৰক্ষা সপ্তাহৰ বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ জিলা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু জিলা পৰিবহন বিভাগৰ সহযোগত গুৱাহাটী মহানগৰৰ বিস্তৃত এলেকাত পথ সুৰক্ষাৰ বিষয়ে এলানি সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উদ্দেশ্যে ৫ শতাধিক স্বেচ্ছাসেৱক, এন চি চি কেডেট আৰু ৰাষ্ট্ৰীয় সেৱা যোজনাৰ স্বেচ্ছাসেৱকসকলে হাতে হাতে বেনাৰ, প্ৰচাৰ পুস্তিকা হাতত লৈ আকৰ্ষণীয় বাটৰ নাটৰ জৰিয়তে পথচাৰী, যান বাহনৰ চালক, ৰিক্সা চালক, অটোচালক, মটৰ চাইকেল আৰোহী তথা যাত্ৰী সকলোকে যান বাহন আইনৰ সুৰক্ষা, আইনৰ বিভিন্ন দিশ, পথ

সুৰক্ষা, নিয়ন্ত্ৰিত গতিত যান বাহন চলোৱা, দুচকীয়া বাহনৰ আৰোহীয়ে হেলমেট পৰিধান কৰা, ৪ চকীয়া বাহনৰ চালক আৰু যাত্ৰীয়ে ছিটবেল্ট ব্যৱহাৰ কৰা আদি পথ সুৰক্ষা বিষয়ত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি অহা ৬ মাৰ্চৰ পৰা পৰীক্ষা আৰম্ভ হ'ব আৰু ২৯ মাৰ্চত অন্ত পৰিব। পুৱাৰ ভাগত ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে পিছবেলা ৩০ আৰু ৫০ নম্বৰৰ প্ৰশ্নকাকতৰ বাবে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে ৩ বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ বাবে কাইলৈৰ পৰা ৩০ জানুৱাৰীলৈ সংশ্লিষ্ট প'ৰ্টেল পুনৰ মুকলি কৰিব। পৰিষদে আজি এখন জাননীযোগে সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া ৩০ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। পৰৱৰ্তী সময়ত এই সময়সীমা কোনো কাৰণতে বৃদ্ধি কৰা নহয় বুলিও পৰিষদে নিৰ্দেশটোত স্পষ্ট কৰি দিছে।

০০০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনী আৰু বিলাসীপাৰা আৰক্ষীয়ে ধুবুৰীৰ বিলাসীপাৰাত যুটীয়া অভিযান চলাই জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত আজি পুনৰ এজন লোকক আটক কৰে। ধৃত লোকজন বিলাসীপাৰাৰ চিনামাৰী গাঁৱৰ আজিবৰ ৰহমান বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে লোকজনৰ পৰা কেতবোৰ আপত্তিজনক নথিপত্ৰ উদ্ধাৰ কৰে। পাছত অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে লোকজনক গুৱাহাটীলৈ লৈ আহে। ৰাজ্যত জেহাদী কাৰ্যকলাপ ৰোধ কৰাৰ বাবে অসম আৰক্ষীৰ প্ৰঘাত অভিযানৰ অধীনত এই পৰ্যন্ত এজন বাংলাদেশী নাগৰিককে ধৰি ১৪ জন লোকক আটক কৰা হৈছে।

০০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত দক্ষিণ শালমাৰা মানকাচৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই আজি হাটশিঙিমাৰীত ভূমিকম্প আৰু অগ্নিকাণ্ডৰ সময়ত কিদৰে সহায় কৰিব সেই সন্দৰ্ভত এটা ম'ক ড্ৰিল কাৰ্যসূচী অনুষ্ঠিত কৰে। ইয়াৰ জৰিয়তে ভূমিকম্প আৰু অগ্নিকাণ্ডত আহত হোৱা লোকসকলক উদ্ধাৰ কৰা তথা দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ ব্যৱস্থা লোৱাৰ আখৰা কৰা হয়। এই কাৰ্যসূচীত জিলাখনৰ অতিৰিক্ত আয়ুক্ত ৰাহুল দলৈৰ উপৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ সোণাৰিত ন্যায়িক আদালতৰ চৌহদত আজি দিনৰ প্ৰায় দুই বজাত বিস্ফোৰণৰ শব্দই অঞ্চলবাসীক আতংকিত কৰি তোলে। চৌহদৰ ভিতৰতে আদালতৰ কিছু অপ্ৰয়োজনীয় কাগজ-পত্ৰৰ লগতে অন্যান্য সামগ্ৰী জ্বলাই থকাৰ সময়ত প্ৰচণ্ড শব্দই সমগ্ৰ অঞ্চলটো কঁপাই তোলে। পাছত অগ্নি নিৰ্বাপক বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয়। প্ৰত্যক্ষদৰ্শীয়ে জুই জ্বলোৱা স্থানত কোনো বিস্ফোৰক সামগ্ৰী থকা বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও এতিয়ালৈকে এই সন্দৰ্ভত সবিশেষ তথ্য পোৱা হোৱা নাই। ঘটনাটোত আহত হোৱা এজন লোকক নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

0000000

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে উৎপাদনশীলতা বৃদ্ধি আৰু উত্তৰ-পূৰ ভাৰতত ভূমি অবক্ষয় ৰোধ কৰাৰ বাবে বহনক্ষম ভূমি ব্যৱস্থাপনা শীৰ্ষক এটা আঞ্চলিক পৰ্যায়ৰ প্ৰশিক্ষণ তথা কৰ্মশালা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অধীনৰ ডেৰাডুনত অৱস্থিত বহনক্ষম ভূমি ব্যৱস্থাপনা উৎকৃষ্টতা কেন্দ্ৰৰ অৰ্থসাহায্যত  অনুষ্ঠিত এই কৰ্মশালাখন কেন্দ্ৰটোৰ সঞ্চালক ড০ বিনয় কুমাৰে দূৰসংযোগ পদ্ধতিৰে উদ্বোধন কৰে। ভাষণ প্ৰসংগত সঞ্চালকগৰাকীয়ে সুন্দৰ ভৱিষ্যতৰ বাবে ভূমিৰ অবক্ষয় ৰোধ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়া, বিজ্ঞানী, কৃষি আৰু উদ্যান শস্য উন্নয়ন বিষয়া, সংশ্লিষ্ট ক্ষেত্ৰ বিশেষজ্ঞ আৰু ক্ষেত্ৰ বিষয়াসকলক লৈ মুঠ ২০ গৰাকী অংশগ্ৰহণকাৰীয়ে কৰ্মশালাখনত অংশগ্ৰহণ কৰিছে।

0000000

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত আজি 'পেন আই আই টি ৱৰ্ল্ড অব্ টেকন'লজি মিট, ২০২৫' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হৈছে। প্ৰতিষ্ঠানটোৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় এই সন্মিলনখন আজি পুৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি এছ কোটাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্য সচিবগৰাকীয়ে তেওঁৰ ভাষণ প্ৰসংগত জাতি নিৰ্মাণৰ ক্ষেত্ৰত সহযোগিতাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে আই আই টি, গুৱাহাটীৰ দৰে প্ৰতিষ্ঠানসমূহে দেশৰ ভৱিষ্যত গঢ় দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। আই আই টি, গুৱাহাটীৰ সঞ্চালক, অধ্যাপক দেৱেন্দ্ৰ জালিহালে তেওঁৰ ভাষণত অতিথি আৰু প্ৰতিনিধিসকলক এই অনুষ্ঠানলৈ আদৰণি জনাই কয়, যে এই পেন আই আই টি শীৰ্ষক অনুষ্ঠানে উদ্ভাৱন আৰু সামাজিক প্ৰভাৱৰ ক্ষেত্ৰত প্ৰতিষ্ঠানখনৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। অধ্যাপকগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক অসম উন্নত স্বাস্থ্য সেৱা উদ্ভাৱন প্ৰতিষ্ঠান নামৰ অভিলাষী পদক্ষেপৰ বিষয়ে পৰিচয় কৰাই দিয়ে। অনুষ্ঠানত জল, স্বাস্থ্য, শক্তি, শিক্ষা, জীৱিকা আৰু বহনক্ষমতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি গ্ৰামাঞ্চলৰ বিকাশত প্ৰযুক্তিৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰা হয়।

00000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত বিশ্বাস আৰু সংস্কৃতিৰ মহাকুম্ভমেলাৰ বাকৰি আজি চাৰিনাম চৈধ্যপ্ৰসংগৰে মুখৰিত হৈ পৰে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত কুম্ভমেলালৈ যোৱা সত্ৰাধিকাৰ তথা গায়ন-বায়নৰ দলটোৱে হৰিনামেৰে কুম্ভমেলাস্থলী মুখৰ কৰি তোলে। কুম্ভমেলাস্থলীত সত্ৰৰ আৰ্হিত নামঘৰ প্ৰতিষ্ঠা কৰা হয়। গুৰু আসন প্ৰতিষ্ঠাৰ লগতে মেলাস্থলীত ভাগৱত পাঠ আৰু ইয়াৰ ব্যাখ্যাও বৰ্ণনা কৰা হয়। এই সম্পৰ্কে আমাক অধিক তথ্য জনাইছে - সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে ঃ-

বাইট

0000

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি চিৰাং জিলাৰ বিজনীৰ নিকটৱৰ্তী হাৱাৰ গাঁৱত অৱস্থিত নৰ্থ-ইষ্ট মিলিটেৰী স্কুলৰ নতুন স্থায়ী চৌহদৰ লগতে ছাত্ৰাবাস ইৰাকদাও ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত শ্ৰী বড়োৱে বিদ্যালয়খনে বিটিচিৰ লগতে উত্তৰ-পূবৰ বাবে যথেষ্ট সংখ্যক

সেনা-বিষয়া সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত সাংসদ জয়ন্ত বসুমতাৰী, বি টি আৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, পাৰিষদ মাধৱ চন্দ্ৰ ছেত্ৰীকে ধৰি স্কুল পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

শিৱসাগৰ জিলাৰ নামতিৰ ছহিদ পিয়লিফুকন মহাবিদ্যালয়ত ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ আজি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানতে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই যুৱ মহোৎসৱ উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰে। যুৱ মহোৎসৱৰ অংশ হিচাপে কালি প্ৰতিনিধি শিবিৰ উদ্বোধন কৰাৰ পাছত আজি পতাকা উত্তোলন আৰু ছহিদ তৰ্পনৰে দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হয়।

০০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত আজি এটা ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই হস্তনিৰ্মিত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানতে দেশপ্ৰেমমূলক সংগীত প্ৰচাৰৰ বাবে এখন ভ্ৰাম্যমান বাহন মুকলি কৰা হয়। জিলা আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী আৰু পৌৰপতি বাণীকান্ত বসুমতাৰীয়ে বাহনখন মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ সহকাৰী আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, পৌৰসভাৰ উপাধ্যক্ষৰ লগতে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০০০

শিৱসাগৰত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বিতীয় বৃহৎ সাংগঠনিক কাৰ্যসূচী সাধাৰণ সভাৰ ব্যাপক প্ৰস্তুতি চলিছে। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত জিলাখনত চলিত মাহৰ ২৭ আৰু ২৮ তাৰিখে এই সাধাৰণ সভা অনুষ্ঠিত হ'ব। সভাত অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি আৰু অতিথিসকলক অসমীয়া জলপানৰ সোৱাদ দিয়াৰ বাবে শিৱসাগৰবাসী মহিলাসকল দিনে-নিশাই ব্যস্ত হৈ পৰিছে।

০০০০০

**সমাপ্ত**